# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-01-2025

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***Headlines***

---------------------

১। ইংৰাজী নতুন বছৰ ২০২৫ আৰম্ভ। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে যোৱা মাজনিশা ঘড়ীত ১২ বজাৰ লগে লগে ভাৰততো হৰ্ষোল্লাসেৰে নতুন বছৰটোক আদৰণি।

২। ইংৰাজী নৱবৰ্ষৰ আজি প্ৰথম দিনা গুৱাহাটী মহানগৰীত নিৰ্মাণ কৰা কেইবাকোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প ৰাইজৰ বাবে উৎসৰ্গা।

৩। ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সহজসাধ্য কৰাৰ উদ্দেশ্যে আজি 'স্বাগত সতীৰ্থ' প'ৰ্টেল মুকলি।

৪। সমগ্ৰ দেশতে ৰে'লৰ নতুন সময়সূচী কাৰ্যকৰী। নতুন সময়সূচীত নিউ তিনিচুকীয়া-বাংগালুৰু এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাকাল দুঘণ্টা হ্ৰাস। *আৰু*

৫। কেৰালাক ১-০ গলৰ ব্যৱধানত পৰাস্ত কৰি বংগৰ একেৰাহে ৩৩ বাৰৰ বাবে সন্তোষ ট্ৰফীৰ ৰাষ্ট্ৰীয় ফুটবলৰ খিতাপ অৰ্জন।

০০০০০০

ইংৰাজী নতুন বছৰ ২০২৫ আৰম্ভ হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে যোৱা মাজনিশা ঘড়ীত ১২ বজাৰ লগে লগে ভাৰততো জনসাধাৰণে হৰ্ষোল্লাসেৰে নতুন বছৰটোক আদৰণি জনায়। বিভিন্ন ঠাইত শংখধ্বনি আৰু গীৰ্জাৰ ঘণ্টাৰে ইংৰাজী নতুন বছৰক আদৰণি জনোৱা হয়। নিশা বহু পৰলৈকে আতচবাজী আৰু জয়ধ্বনিৰে জনসাধাৰণে ইংৰাজী নতুন বছৰটোৰ প্ৰৱেশক উদযাপন কৰে। অমৃতচৰৰ স্বৰ্ণ মন্দিৰতো যোৱা নিশা নতুন বছৰ উপলক্ষে বিশেষ প্ৰাৰ্থনাৰ আয়োজন কৰা হয়।

নৱবৰ্ষ উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জনাইছে। এটা বিবৃতিত মুখ্যমন্ত্ৰীয়ে কয়, যে নৱবৰ্ষই সদায় নতুন আশা কঢ়িয়াই অনাৰ লগতে নতুন উৎসাহ আৰু উদ্দীপনাৰে আগুৱাই যোৱাৰ বাবে সকলোকে উৎসাহিত কৰে। নতুন বছৰটোৱে স্বকীয় পৰম্পৰা তথা গৰিমা মণ্ডিত ঐহিত্যৰে সমৃদ্ধ ৰাজ্যৰ জনসাধাৰণৰ মাজৰ সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰি তুলিব বুলি ড০ শৰ্মাই আশা প্ৰকাশ কৰে। নৱবৰ্ষৰ আজি পহিলা দিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মঠ-মন্দিৰ আৰু আন আন ধৰ্মীয় স্থানসমূহত ভক্তসকলে পুৱাৰে পৰা ভিৰ কৰা পৰিলক্ষিত হৈছে। শক্তিপীঠ কামাখ্যা মন্দিৰ, শুক্ৰেশ্বৰ মন্দিৰ, লতাশিল আৰু গণেশগুৰিৰ গণেশ মন্দিৰ, বশিষ্ঠ মন্দিৰকে ধৰি আন আন ধৰ্মীয় স্থানসমূহতো ভক্তসকলে পূজা-অৰ্চনা আগবঢ়াই বছৰটোলৈ কুশল-মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰে।

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজিৰেপৰা বাতৰিৰ বিষয়বস্তু, আংগিক আৰু পৰিৱেশনশৈলীৰ কেতবোৰ পৰিৱৰ্তন সাধন কৰিছে। এই বিষয়ে জনাইছে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে

বাইট -(ৰাজীৱ লোচন বৰঠাকুৰ)

০০০০০০

ইংৰাজী নৱবৰ্ষৰ আজি প্ৰথম দিনা গুৱাহাটী মহানগৰীত নিৰ্মাণ কৰা কেইবাকোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুখ্যমন্ত্ৰীয়ে ৰাইজৰ বাবে উৎসৰ্গা কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুৱাৰ ভাগতে গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখন উদ্বোধন কৰিব। এই সেঁতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। সেঁতুখনত দিব্যাংগসকলৰ বাবে লিফ্‌ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত ১ কোটি ২৬ লাখ টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা বৰদলৈ দেৱৰ এটা আৱক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ইয়াৰ পাছত গুৱাহাটীৰ খানাপাৰাত ১২ কোটি টকাৰে নিৰ্মাণ কৰা আন্তঃৰাজ্যিক মিনি বাছ আস্থানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ইয়াৰ লগতে আজি এই অনুষ্ঠানতে তেওঁ ৫৬ খন নতুন বৈদ্যুতিক বাছৰো যাত্ৰাৰ শুভাৰম্ভ কৰিব।

মুখ্যমন্ত্ৰীৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচীৰ অংশ হিচাপে তেওঁ আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কেইবাগৰাকীও জ্যেষ্ঠ সম্পাদক আৰু জ্যেষ্ঠ নাগৰিকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত অতিথিশালাৰ সভাকক্ষত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত মুখ্যমন্ত্ৰীয়ে অধ্যক্ষতা কৰিব।

বিয়লি ড০ শৰ্মাই ৩৬২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যানৰ আধুনিকীকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কাহিলিপাৰাৰ জ্যোতিচিত্ৰবনত ১২ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া এহেজাৰ আসনযুক্ত অত্যাধুনিক প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল আৰু সহজসাধ্য কৰি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আজি 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেল মুকলি কৰিব। গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কৰ্মচাৰীসকলে আজিৰেপৰা অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত এই প'ৰ্টেলত বদলিকৰণৰ বাবে আবেদন কৰিব পাৰিব। সম গ্ৰেড পে' লাভ কৰা কৰ্মচাৰী, সম সেৱা বিধি কৰ্মচাৰী আৰু সম অৰ্হতা সম্পন্ন কৰ্মচাৰীৰ ক্ষেত্ৰতহে এই নিয়ম প্ৰযোজ্য হ'ব। কৰ্মচাৰীসকলে চাকৰি কালত দুবাৰকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিব।

০০০০০০

পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ লক্ষ্যৰে বছৰটোৰ শেষ নিশা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীতো আৰক্ষী আৰু পৰিবহণ বিভাগে সুৰাপায়ী চালকৰ বিৰুদ্ধে অভিযান চলায়। অভিযানৰ সময়ত পৰিবহণ মন্ত্ৰী যোগেন মহন আৰু জিলা পৰিবহণ বিষয়া হিমাংশু দাস উপস্থিত থাকে। মহানগৰীৰ জি এছ ৰোডৰ এ বি চি পইণ্টৰ লগতে আৰ জি বৰুৱা পথ, চানমাৰি, শিলপুখুৰী আদি বিভিন্ন স্থানত পৰিবহণ মন্ত্ৰীগৰাকী উপস্থিত থাকি অভিযান পৰ্যবেক্ষণ কৰে। যিসকল চালকে সুৰাপান নকৰাকৈ গাড়ী চলাইছিল তেওঁলোকক পৰিবহণ বিভাগৰ তৰফৰ পৰা এপাহ গোলাপ ফুল আৰু চকলেট দি অভিনন্দন জনোৱা হয়। জিলা পৰিবহণ বিষয়াগৰাকীয়ে জনোৱা মতে ৩১ ডিচেম্বৰৰ পুৱতি নিশালৈকে সুৰাপন কৰি গাড়ী চলোৱাৰ ফলত হোৱা

দুৰ্ঘটনাত কোনো লোকৰ মৃত্যু হোৱা নাই। ১৩ ডিচেম্বৰৰ পৰা চলা এই অভিযানত ৩ হাজাৰ ৮০০ খন বাহনৰ চালকক পৰীক্ষা কৰা হৈছিল। ডবকাতো সুৰা সেৱন কৰা গাড়ী চলোৱাৰ বিৰুদ্ধে আৰক্ষী আৰু পৰিবহণ বিভাগে অভিযান চলায়। হোজাই আৰু নগাঁৱৰ সীমান্তৱৰ্তী সৰুপথাৰত পুৱতি নিশালৈকে এই অভিযান চলোৱা হয়। বিগত ১৫ দিনৰ পৰা অঞ্চলটোত নিয়মীয়াকৈ সুৰাসক্ত গাড়ীচালকৰ বিৰুদ্ধে অভিযান চলোৱাৰ বাবে দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাইছে বুলি জিলা পৰিবহণ বিষয়াই জানিবলৈ দিছে।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ২০২৪-২৫ বৰ্ষৰ পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত ভোটাৰ তালিকাত ভোটদাতাসকলে নিজৰ নাম পৰীক্ষা কৰাৰ বাবে এটা ৱেবছাইট মুকলি কৰিছে। ermssec.assam.gov.in ৱেবছাইটত গৈ ভোটদাতাসকলে ভোটাৰ তালিকা ডাউনলোড কৰি অথবা ভোটাৰ কাৰ্ডৰ নম্বৰৰ জৰিয়তে নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়, জিলা পৰিষদ, গাঁও পঞ্চায়ত অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈও ভোটদাতাসকলে তালিকাত তেওঁলোকৰ নাম পৰীক্ষা কৰিব পাৰিব। বয়সৰ হিচাপত আজিৰ ভিতৰত ভোট দিয়াৰ বাবে যোগ্য বিবেচিত যুৱক-যুৱতীসকলেও এই ৱেবছাইটৰ জৰিয়তে নিৰ্বাচনী খচৰাত নিজৰ নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন দাখিল কৰিব পাৰিব।

০০০০০০

খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ জনমুখী প্ৰয়াসৰ অংশ হিচাপে আজিৰেপৰা ১০ জানুৱাৰীলৈ অন্ন সেৱা দিন পালন কৰা হ'ব। এই দিনকেইটাত প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীসকলক অন্ত্যোদয়া অন্ন যোজনাৰ অধীনত ৩৫ কিলোগ্ৰামকৈ চাউল প্ৰদান কৰাৰ লগতে অগ্ৰাধিকাৰপ্ৰাপ্ত প্ৰতিটো পৰিয়াললৈ ৫ কিলোগ্ৰামকৈ চাউল প্ৰদান কৰা হ'ব। জনসাধাৰণক সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰি ৰচিদ ল'বলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

০০০০০০

সমগ্ৰ দেশতে আজিৰেপৰা ৰে'লৰ নতুন সময়সূচী কাৰ্যকৰী হৈছে। এই নতুন সময়সূচীত উত্তৰ-পূব সীমান্ত ৰে'লৰ অধীনত চলাচল কৰা মুঠ ৪৩ খন ৰে'লগাড়ীৰ বেগ দ্ৰুত হোৱাৰ ফলত যাত্ৰাকাল দুঘণ্টা পৰ্যন্ত হ্ৰাস পাব। যাত্ৰাকাল হ্ৰাস পাবলগীয়া ৰে'লগাড়ীসমূহৰ ভিতৰত নিউ তিনিচুকীয়া আৰু বাংগালুৰুৰ মাজত চলাচল কৰা ২২৫০১ নম্বৰ এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰাকাল পূৰ্বৰ তুলনাত দুঘণ্টা হ্ৰাস পাব। একেদৰে ১৫০৭৭ নম্বৰৰ কামাখ্যা আৰু গোমতীনগৰৰ মাজত চলাচল কৰা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰাৰ সময় পূৰ্বৰ তুলনাত প্ৰায় ডেৰ ঘণ্টা ৰাহি হ'ব। ১৫৯৬২ নম্বৰৰ কামৰূপ এক্সপ্ৰেছ নামেৰে জনাজাত ডিব্ৰুগড়-হাওৰা এক্সপ্ৰেছখনৰো যাত্ৰাৰ সময় নতুন সময়সূচী অনুযায়ী এঘণ্টা ৰাহি হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে, এই নতুন সময়সূচী অনুসৰি শিলচৰ আৰু থিৰুৱনন্তপুৰমৰ মাজত চলাচল কৰা ১২৫০৮ নম্বৰ ৰে'লগাড়ীখনৰো যাত্ৰাৰ সময় কিছু সালসলনি হ'ব। ইয়াৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কাটিহাৰ আৰু মালদা সংমণ্ডলৰ অধীনৰ আন ২৩ খন ৰে'লগাড়ীৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছে বুলি মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জনাইছে।

০০০০০০

ভৱেন্দ্ৰ নাথ ডেকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ৰূপে আৰু এটা কাৰ্যকালৰ বাবে বিজয়ী হৈছে। সংগঠনটোৰ নগাঁৱৰ মুখ্য কাৰ্যালয়ত কালি অনুষ্ঠিত ভোটগ্ৰহণত ভৱেন্দ্ৰ নাথ ডেকাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ধৰ্মেশ্বৰ হাজৰিকাক এহেজাৰৰো অধিক ভোটত পৰাজিত কৰি একেৰাহে চতুৰ্থটো কাৰ্যকালৰ বাবে

সংঘৰ পদাধিকাৰ ৰূপে নিৰ্বাচিত হয়। ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীডেকা ইয়াৰ পূৰ্বে ২০১৫ চনৰ পৰা ২০১৮ চনলৈকে একেৰাহে দুটা কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছিল।

০০০০০০

পাৰ হৈ যোৱা ২০২৪ বৰ্ষটোত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন ক্ষেত্ৰত অসমৰ কেইবাগৰাকীও সুযোগ্য সন্তান উজলি উঠিছে। প্ৰায় ১০ গৰাকী এনে ব্যক্তিৰ সফলতাক লৈ প্ৰস্তুত কৰা এটা বিতং বাতৰি অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **সীমাৰ পৰিধি ভেদি আই অসমী সন্তানৰ জগত জিনাৰ যাত্ৰা ঃ স্থল, জল, মহাকাশতো অসমীয়াৰ আধিপত্য।** অসমীয়া খবৰ কাকতেও সৃষ্টিশীলতাৰে অসমলৈ গৌৰৱ কঢ়িয়াই অনা কেইবাগৰাকীও ব্যক্তিক লৈ প্ৰস্তুত কৰা এটা বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে **স্বাগতম ২০২৫, নতুন আশা নতুন সম্ভাৱনা লৈ আহিল নতুন বছৰ ঃ উমাল ৰ'দৰ সপোন হওক দিঠক** শিৰোনামেৰে নতুন বৰ্ষটোক আদৰণি জনোৱা এটা বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নতুন বছৰত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে ২৫টা নতুন নিয়ম প্ৰৱৰ্তন কৰিছে। এই বাতৰিটো **আজিৰে পৰা দেশজুৰি মোদী চৰকাৰে আনিলে একাধিক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঃ ২০২৫ত ২৫টা নতুন নিয়ম** শিৰোনামেৰে আমাৰ অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসম কৃষি বাণিজ্যিকীকৰণক লৈ অসম কৃষি বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা এটা ব্যতিক্ৰমী পদক্ষেপক দৈনিক জনমভূমি কাকতে এংকৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **অনলাইনত বিশ্বব্যাপী উপলব্ধ হ'ব বিশ্ববিদ্যালয়ৰ উৎপাদিত ১৯ বিধ সামগ্ৰী ঃ কৃষি বাণিজ্যিকীকৰণত উপাচাৰ্য ড০ ডেকাৰ পদক্ষেপ।**

নতুন বছৰটোক লৈ অসমৰ কেইবাগৰাকীও যশস্বী লেখক, অভিনেতা, কবি, সাহিত্যিকৰ আশা আৰু প্ৰত্যাশাৰে প্ৰস্তুত কৰা এটা বাতৰি **শ্বাসৰুদ্ধ পৰিৱেশৰ অৱসানৰ কামনা** শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দা ছেণ্টিনেল কাকতেও নতুন বছৰটোৰ আশা আৰু প্ৰত্যাশা তথা পাৰ হৈ যোৱা বছৰটোৰ গুৰুত্বপূৰ্ণ সফলতাক লৈ প্ৰস্তুত কৰা বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে বুজাবুজিৰে বদলিকৰণৰ সুবিধা হোৱাকৈ ৰাজ্য চৰকাৰে প্ৰস্তুত কৰা প'ৰ্টেল মুকলিৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে ভাৰতে মহাকাশত ষ্টেচন গঢ়িবলৈ ইছৰোৱে চলাই অহাৰ প্ৰচেষ্টাক লৈ প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে বক্সত প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম- স্পাডেক্স মিছন, মহাকাশ ষ্টেচন গঢ়াত ইছৰোৰ সফল এখোজ ঃ নৱবৰ্ষত অন্তৰীক্ষত নতুন ইতিহাস গঢ়িব ভাৰতে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

সন্তোষ ট্ৰফীৰ ফাইনেলত বংগই কেৰালাক ১-০ গলৰ ব্যৱধানত পৰাস্ত কৰি ৰাষ্ট্ৰীয় ফুটবল ছেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে। হায়দৰাবাদৰ গাচিবৌলি ষ্টেডিয়ামত কালি অনুষ্ঠিত ফাইনেল খেলখনত বংগৰ ৰবি হান্সদাই অতিৰিক্ত সময়ত দিয়া একমাত্ৰ গলটোৱে দলৰ বিজয় নিশ্চিত কৰে। খেলখনৰ ৯৪

মিনিটত হাঙ্গদাই এই বিজয়সূচক গ'লটো দিয়ে। প্ৰতিযোগিতাখনত সৰ্বাধিক ১২ টা গল দিয়া হাঙ্গদাক প্লেয়াৰ অব দ্যা মেচ আৰু প্লেয়াৰ অব দ্যা টুৰ্নামেণ্টৰ সন্মান প্ৰদান কৰা হয়। এয়া হ'ল বংগৰ একেৰাহে ৩৩ বাৰৰ বাবে সন্তোষ ট্ৰফীৰ খিতাপ বিজয়।

০০০০০০

বতৰৰ বতৰা- বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। অসমকে ধৰি আটাইকেইখন ৰাজ্যক ঘন কুঁৱলীয়ে আৱৰি ৰখাৰ সম্ভাৱনা আছে। অৰুণাচল প্ৰদেশৰ হিমালয়ৰ পাদদেশৰ উচ্চ অঞ্চলসমূহত পাতলীয়া তুষাৰপাত হোৱাৰো সম্ভাৱনা আছে।

বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া বতৰৰ আগলি বতৰা অনুসৰি আজি গুৱাহাটীৰ আকাশ ফৰকাল থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০

সমাপ্ত